# বেণুধৰ শৰ্মাৰ 'মকৰা পেস্কাৰ' ঃ এটি আলোচনা



বেণুধৰ শৰ্মা

ড° বীণা শইকীয়া

অসমীয়া সাহিত্যৰ প্ৰথিতযশা সাহিত্যিক বেণুধৰ শৰ্মা এগৰাকী সুসাহিত্যিক, সমাজহিতৈষী, বুৰঞ্জীতত্ত্ববিদ, গৱেষক আৰু অসমৰ মুক্তি সংগ্ৰামৰ আগশাৰীৰ নেতা। *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত* (১৯৫৯) আৰু *মজিয়াৰ পৰা মেজলৈ* (১৯৮২)— এই দুখন স্মৃতি সংগ্ৰহ গ্ৰন্থত শৰ্মাই ব্যক্তিগত জীৱনৰ অভিজ্ঞতা, সমসাময়িক সমাজ জীৱনৰ স্বৰূপ, ৰাজনৈতিক-অৰ্থনৈতিক-সাহিত্য-সংস্কৃতিৰ বহু তথ্যৰ প্ৰমাণ দিছে। প্ৰাক-স্বাধীনতা কালৰে পৰা জাতীয়তাবাদ প্ৰতিষ্ঠাত আগভাগ লোৱা এইগৰাকী বৰেণ্য ব্যক্তিয়ে সাহিত্য সাধনাৰে অসম তথা বিশ্বৰ উন্নতিত নিজকে আত্মনিয়োগ কৰে। কংগ্ৰেছৰ কাচিয়লি ৰ'দত শীৰ্ষক তেওঁৰ গ্ৰন্থখনে অসমীয়া সাহিত্যলৈ সাহিত্য অকাদেমি বঁটা কঢ়িয়াই আনে।

বেণুধৰ শৰ্মা সাহিত্যিকেই নহয়, অসমৰ এগৰাকী সুপ্ৰসিদ্ধ বুৰঞ্জীবিদ। বুৰঞ্জীৰ সমলেৰে ভৰপুৰ সাহিত্যৰাজিৰ বাবে কোনো কোনোৱে তেওঁক 'ইতিহাস বন্ধু', 'বুৰঞ্জীৰ যাদুকৰ', 'বুৰঞ্জী সূৰ্য'— আদি সম্মানেৰে বিভূষিত কৰিছে। *সাতাকৰ ছাল* (১৯৪৬) আৰু *দুৰবীণ* (১৯৫১)— তেওঁৰ ঐতিহাসিক প্ৰবন্ধসম্বলিত দুখনি উল্লেখযোগ্য গ্ৰন্থ।

শিশুৰ কৌতূহলী মনৰ বিকাশৰ বাবে সাধু বা গল্পৰ মাজেৰে উপদেশ দিয়া বেণুধৰ শৰ্মাৰ শিশুৰ উপযোগী গ্ৰন্থকেইখন ক্ৰমে— *ৰংপেচা* (১৯৪৩), *লাতুমণি* (১৯৫৯) আৰু *মনমত কাকো* (১৯৫৯)। জীৱনীমূলক গ্ৰন্থ বেণুধৰ শৰ্মাৰ সাহিত্যকৃতিৰ আন এক নিদৰ্শন। *গংগাগোবিন্দ ফুকন* (১৯৪৮), *মণিৰাম দেৱান* (১৯৫০) আৰু *অৰ্ঘাৱলী* (১৯৬৪) তেওঁৰ দ্বাৰা ৰচিত অনুপম জীৱনী-সাহিত্য। অসমৰ এখনি পুৰণি ঐতিহ্যপূৰ্ণ সত্ৰৰ ইতিহাস আৰু অসমৰ সাংস্কৃতিক ইতিহাসৰ যথেষ্ট সমল তেওঁৰ *দক্ষিণপাট সত্ৰৰ বুৰঞ্জী* (১৮৬৭) গ্ৰন্থখনত পোৱা যায়।

তেওঁৰ অন্যান্য ৰচনাৱলীৰ ভিতৰত *দুগনি* (১৯৬৩), *কুলচন্দন* (১৯৬৮), *চটাই চ'ৰাৰ কথা* (১৯৬৯), *হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী* (১৯৭১), *মণিৰাম দেৱানৰ গীত* (১৯৭৬) উল্লেখযোগ্য। মৰণোত্তৰভাৱে প্ৰকাশিত *চন্দন চ'ৰা* (১৯৮৭) গ্ৰন্থখনৰ শেষৰফালে শৰ্মাই এমুঠি কবিতাও সংযোগ কৰিছে। 'বাতৰি' আৰু 'তৰুণ অসম' (১৯৩৯-১৯৪২) শৰ্মাৰ দ্বাৰা সম্পাদিত দুখন বাতৰি কাকত। গ্ৰাম্য সমাজৰ অকৃত্ৰিম স্বদেশপ্ৰেমৰ নিদৰ্শন তেওঁৰ প্ৰতিটো প্ৰবন্ধতে ভৰপুৰ। নিভাজ দেশপ্ৰেম, জাতীয়তাবাদী দৃষ্টিভংগী, অসমীয়াৰ দেশাত্মবোধ— তেওঁৰ ৰচনাভংগীত বলিষ্ঠ ৰূপত প্ৰকাশ পাইছে।

*বেণুধৰ শৰ্মাৰ প্ৰবন্ধসমূহৰ ভিতৰত এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ 'মকৰা পেস্কাৰ'। তেওঁৰ আত্মজীৱনী 'মজিয়াৰ পৰা মেজলৈ শীৰ্ষক গ্ৰন্থখনৰ পৰা প্ৰবন্ধটো তুলি অনা হৈছে। প্ৰাক-স্বাধীনতাকালীন অসমৰ সমাজ জীৱনৰ পটভূমিত ৰচিত প্ৰবন্ধটোত অসমীয়া দৈনন্দিন গ্ৰামীণ জীৱনৰ দ্বন্দ্ব-খৰিয়াল আৰু ৰাজনীতি-অৰ্থনীতি-সমাজ-সংস্কৃতিৰ এখনি ব্যংগাত্মক ছবি তুলি ধৰিছে।*

**'মকৰা পেস্কাৰ' প্ৰবন্ধটোৰ বিষয়বস্তু ঃ** বেণুধৰ শৰ্মাৰ প্ৰবন্ধসমূহৰ ভিতৰত এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ 'মকৰা পেস্কাৰ'। তেওঁৰ আত্মজীৱনী *মজিয়াৰ পৰা মেজলৈ* শীৰ্ষক গ্ৰন্থখনৰ পৰা প্ৰবন্ধটো তুলি অনা হৈছে। প্ৰাক-স্বাধীনতাকালীন অসমৰ সমাজ জীৱনৰ পটভূমিত ৰচিত প্ৰবন্ধটোত অসমীয়া দৈনন্দিন গ্ৰামীণ জীৱনৰ দ্বন্দ্ব-খৰিয়াল আৰু ৰাজনীতি-অৰ্থনীতি-সমাজ-সংস্কৃতিৰ এখনি ব্যংগাত্মক ছবি তুলি ধৰিছে। ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো প্ৰাক-স্বাধীনতাৰ কালছোৱাত বিশেষকৈ মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত অসমৰ বহু লোকে দলে-বলে কংগ্ৰেছত যোগদান কৰে। ১৯২৬ চনত মহাত্মা গান্ধীৰ নেতৃত্বত গুৱাহাটী (পাণ্ডু)ত ভাৰতৰ জাতীয় কংগ্ৰেছৰ এখন বিৰাট মহাসভা অনুষ্ঠিত হয়। কংগ্ৰেছৰ সমৰ্থনত বহু লোকে সেই অধিবেশনত যোগদান কৰি ৰাজনীতিত উঠি-পৰি লাগে, কিন্তু তাৰ বিপৰীতে ব্ৰিটিছৰ শাসন কালছোৱাত সা-সুবিধা লাভ কৰা একাংশই সেই অধিবেশনৰ বিৰোধিতা কৰে। কংগ্ৰেছত যোগদান নকৰা লোকক কূটনীতিৰে ৰাজনীতিৰ জগতখনলৈ আনিবলৈ চক্ৰান্ত চলোৱাৰ বিৱৰণ বেণুধৰ শৰ্মাই

***'মকৰা পেস্কাৰ' প্ৰবন্ধত সেই সময়ৰ অসমীয়া গাঁৱলীয়া কৃষিজীৱী সমাজখনৰ চিত্ৰ ফুটাই তুলিছে। খেতি পথাৰ, শস্যৰ উঁৱাল, সমাজত প্ৰচলিত অন্ধ-বিশ্বাস আৰু সেই অন্ধ-বিশ্বাস মহিমুৰ কৰিবলৈ বাইজমেলৰ ব্যৱস্থা কৰা, সম্ভ্ৰান্ত অসমীয়া সমাজত প্ৰচলিত সাজ-পাৰৰ উল্লেখ প্ৰবন্ধটোত পোৱা যায়।***

ব্যংগৰ চলেৰে 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত উল্লেখ কৰিছে। মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত বেণুধৰ শৰ্মাই গান্ধীৰ পাণ্ডু অধিবেশনৰ উদাত্ত ভাষণ শুনিবলৈ কলিকতা বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা সমাপ্ত নকৰাকৈ অসমলৈ ঘূৰি আহে। ১৯২৫ চনত তেওঁ পাণ্ডু অধিবেশনৰ 'কংগ্ৰেছ গাইড' ৰূপেও মনোনীত হয়। কংগ্ৰেছৰ প্ৰতি থকা প্ৰেম আৰু দুৰ্বলতা আৰু কংগ্ৰেছৰ মোহত অন্ধ হৈ বেণুধৰ শৰ্মাই (১৯৩৭) 'ঘৰুৱা কংগ্ৰেছ' নামৰ এক ৰাজনৈতিক বিসম্বাদী অনুষ্ঠানো গঠন কৰে। 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত এগৰাকী চতুৰ অভিজ্ঞ ব্যক্তিয়ে বাক চতুৰালিৰে কিদৰে নিজৰ কাৰ্য সিদ্ধি কৰি কংগ্ৰেছত নিজৰ স্থান গজগজীয়া কৰিছে তাৰেই নিদৰ্শন দাঙি ধৰিছে।

'মকৰা পেস্কাৰ' প্ৰবন্ধটোৰ মূল চৰিত্ৰকেইটা ক্ৰমে— কাকতি পুলৰ মকৰা পেস্কাৰ বা মকৰা শইকীয়া, বাৰুৱতী গাঁৱৰ টেপুৰাম গগৈ, কৃষ্ণকান্ত গগৈ আৰু প্ৰথম পুৰুষত বৰ্ণিত লেখকৰ বৰ্ণনা পোৱা যায়। প্ৰবন্ধটোত বৰ্ণিত কাহিনীৰ বৰ্ণনা অনুসৰি মকৰা পেস্কাৰ বা মকৰা শইকীয়া কাকতি পুলৰ সম্ভ্ৰান্ত বয়সীয়া এগৰাকী বুধিয়ক আৰু ক্ষমতাশালী লোক। টেঙৰ আৰু অভিজ্ঞ মকৰা পেস্কাৰ নামৰ ব্যক্তিগৰাকীক কংগ্ৰেছৰ সদস্য কৰিবলৈ বাৰুৱতী গাঁৱৰ সদস্যসকলে বিচাৰে যদিও পেস্কাৰ কিন্তু কংগ্ৰেছৰ সদস্য হ'বলৈ কোনো মতেই মান্তি নহয়। আঁকোৰগোজ পেস্কাৰক বলে নোৱাৰি বাৰুৱতী গাঁৱৰ টেপুৰাম আৰু কৃষ্ণকান্ত নামৰ লোক দুজনে এদিন মকৰা পেস্কাৰৰ বিৰুদ্ধে এক অভিসন্ধি কৰে। দুয়োৱে পেস্কাৰৰ ওপৰত এক গোচৰ তৰে। গোচৰ অনুসৰি চাৰিং কাকতি গাঁৱৰ ক্ৰেডিট ছ'চাইটিৰ চেক্ৰেটাৰী ভোলা কাকতী নামৰ এজন লোকৰ পথাৰৰ পৰা ধানৰ মুঠি হেৰায়। তেওঁ কংগ্ৰেছৰ ভলণ্টিয়াৰ টেপু আৰু কৃষ্ণাইক চোৰৰ শুং-সূত্ৰ উলিয়াবলৈ কয়। তেওঁলোকে সেই চুৰি হোৱা ধানকেইমুঠি মকৰা পেস্কাৰৰ উঁৱালত উদ্ধাৰ কৰে। সেইবাবেই তেওঁলোকে মেল চপাই ৰাইজৰ সহায়ত ঘটনাৰ সন্দৰ্ভত সঁচা প্ৰমাণ কৰে আৰু মকৰা পেস্কাৰৰ পুত্ৰক দোষী সাব্যস্ত কৰে। দোষীৰ শাস্তি স্বৰূপে মকৰা পেস্কাৰে পুত্ৰৰ হৈ ৰাইজলৈ বুলি এশ টকা দণ্ড ভৰিব লগাত পৰে। টেপুৰাম আৰু কৃষ্ণকান্তই সেই দণ্ডৰ টকাখিনি মকৰা পেস্কাৰৰ পৰা আনিবলৈ তেওঁৰ ঘৰলৈ যোৱাত পেস্কাৰে দণ্ডৰ টকাখিনি ৰাইজক দিয়াৰ বিপৰীতে অকথ্য গালি-গালাজ পাৰে। মকৰা পেস্কাৰে মহীকান্ত বৰুৱাৰ হতুৱাই এখনি এজাহাৰ লিখোৱাই টেপু-কৃষ্ণাইৰ নামত বাইজখনকো অশালীন ভাষাত বৰ্ণনা কৰি দিয়ে। সেই এজাহাৰৰ কথা জানিব পাৰি টেপু-কৃষ্ণাইয়ে জনাই কংগ্ৰেছৰ আন এগৰাকী সদস্য (প্ৰথম পুৰুষত বৰ্ণিত লেখক)ৰ আগত গোচৰ দিয়ে। এইবাৰ পেস্কাৰৰ ঘৰত কংগ্ৰেছৰ সদস্যগৰাকী (লেখক নিজে) উপস্থিত হৈ কথাৰ খাঁতি-গুৰি ল'বলৈ বিচাৰে। কথোপকথনত পেস্কাৰে দণ্ড ভৰাৰ কথা আৰু টেপু-কৃষ্ণাইক সেই দণ্ড দিবলৈ আহাৰ প্ৰসংগ নিজ মুখে ব্যক্ত কৰে। কথা-প্ৰসংগৰ মাজত লেখকে কংগ্ৰেছৰ সদস্য হ'বলৈ পেস্কাৰক অনুৰোধ কৰে। চতুৰ পেস্কাৰে তামোল-পাণৰ সৈতে ৰূপ তিনি টকা কংগ্ৰেছ দলৰ হৈ অনুদান দিবলৈ বিচাৰে। কংগ্ৰেছৰ সদস্যগৰাকীয়ে (লেখকে) কিন্তু সেই অনুদান তেনেকৈ ল'বলৈ অস্বীকাৰ কৰে। যদিহে মকৰা পেস্কাৰে কংগ্ৰেছৰ প্ৰতিজ্ঞা পত্ৰত চহী কৰে তেনেহ'লেহে তেওঁ সেই অনুদানৰ টকাকেইটা গ্ৰহণ কৰিব। টেটোন পেস্কাৰে নিজৰ কাৰ্য সিদ্ধি নোহোৱাকৈ কংগ্ৰেছৰ সভ্য হ'বলৈ মান্তি নহ'ল। পেস্কাৰে তেওঁৰ ব্যক্তিগত সমস্যা এটা সমাধান কৰি দিব পাৰিলেহে কংগ্ৰেছ দলৰ সদস্য হ'ব বুলি কংগ্ৰেছ দলৰ সদস্যগৰাকীৰ আগত প্ৰকাশ কৰে। পেস্কাৰৰ সমস্যাটো হ'ল— পত্নীৰ অসুস্থতাৰ বাবে তেওঁ পথাৰৰ ধান চপোৱাৰ খা-খৰৰ ল'বলৈ সুবিধা নোপোৱাত ম'হগুৱালক টকা-সিকিৰে দায়িত্ব দিয়ে। কামত গাফিলতি কৰাত পেস্কাৰে ম'হগুৱালকেইটাৰ ওপৰত মেল জপাই জৰিমনা বিহে। কিন্তু ম'হগুৱালকেইটাৰ পৰা তেওঁ জৰিমনা আদায় কৰিবলৈ সক্ষম নহ'ল। সেইবাবে তেওঁৰ পাবলগীয়া টকাকেইটা কংগ্ৰেছৰ সদস্য (লেখকে) গৰাকীয়ে উলিয়াই দিব পাৰিলেহে কংগ্ৰেছৰ সদস্য হৈ তিলক উঁৱাললৈ ডেৰশ কুৰিমান ৰূপ অনুদান হিচাপে আগ বঢ়াব। অৱশেষত কংগ্ৰেছৰ সদস্যগৰাকীয়ে (লেখক) পেস্কাৰৰ চতুৰালি বুজিব পাৰি কংগ্ৰেছৰ ভলণ্টিয়াৰ টেপু-কৃষ্ণাইৰ জৰিয়তে ম'হগুৱালকেইটাৰ পৰা পেস্কাৰৰ জৰিমনাৰ টকাকেইটা উলিয়াই আনে। পেস্কাৰেও নিজৰ স্বাৰ্থ সিদ্ধি হোৱাত প্ৰতিশ্ৰুতি ৰক্ষা কৰি কংগ্ৰেছ দলত যোগদান কৰে।

***'মকৰা পেস্কাৰ' প্ৰবন্ধটোত ব্যংগৰ উপস্থাপনৰে এটি সামাজিক সমস্যাক নাট্যধৰ্মী কাহিনীৰ গুণেৰে ৰসাল কৰি তুলিছে। প্ৰবন্ধটোৰ ভাষা-শৈলীৰ ৰূপো সুকীয়া। দেশপ্ৰেমৰ নামত ডুবা স্বাৰ্থজড়িত লোকক কঠোৰ সাৱধানবাণী শুনোৱা আৰু নিজৰ দায়বদ্ধতাৰ প্ৰতি সচেতন হ'বলৈ পৰিস্থিতি অনুসৰি ভাষা প্ৰয়োগ কৰা হৈছে।***

**'মকৰা পেস্কাৰ' প্ৰবন্ধটোৰ বৈশিষ্ট্য**

বেণুধৰ শৰ্মাৰ 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত দৃষ্টিগোচৰ হোৱা প্ৰধান বৈশিষ্ট্যকেইটা হ'ল—

**(১) বিষয়বস্তু নিৰ্বাচন :** বেণুধৰ শৰ্মাৰ 'মকৰা পেস্কাৰ' প্ৰবন্ধটোৰ বিষয়বস্তু ব্যংগধৰ্মী। সমাজসচেতন বা সমাজ পৰিশুদ্ধিৰে সাহিত্যিকে সমাজৰ হিত সাধন কৰি লিখা সাহিত্যকে ব্যংগ সাহিত্য বোলে। "কোনো ব্যক্তি বা চৰিত্ৰৰ বাহিৰৰ সৌন্দৰ্য আৰু ভিতৰৰ কদৰ্য ৰূপ প্ৰকাশ কৰিবলৈ বিদ্ৰূপাত্মকভাৱে যি হাস্যৰসৰ আশ্ৰয় লোৱা হয়, তাকে ব্যংগ বুলি ক'ব পাৰি। মানুহৰ

অৱচেতন মনৰ গুপ্ত আকাংক্ষা ফুটাই তুলিবলৈ যাওঁতেও অনেক লেখকৰ ব্যংগাত্মক মনোভাৱ সহজতে ধৰিব পাৰি।"৭ সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত গ্ৰন্থত যি তিনি প্ৰকাৰৰ হাস্যৰসৰ উল্লেখ কৰিছে তাৰ ভিতৰত বাক-চাতুৰ্যপূৰ্ণ বুদ্ধিনিষ্ঠ হাস্যৰস (wit) অন্যতম বুলি কৈছে। 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত এনেধৰণৰ বাক-চাতুৰ্যপূৰ্ণ বুদ্ধিনিষ্ঠ হাস্যৰসৰ তথ্য পোৱা যায়। বিশেষকৈ কাকতি পুলৰ মকৰা পেস্কাৰ বা মকৰা শইকীয়া, যাক প্ৰবন্ধটোৰ মূল চৰিত্ৰৰূপে পোৱা গৈছে তেওঁৰ ঠেঁটোমা স্বভাৱ, বাক চাতুৰীয়ে ইয়াৰ নিদৰ্শন দাঙি ধৰিছে। মকৰা পেস্কাৰে বাইজক অশালীন গালি পাৰি কেনেকৈ তাৰ দাই সাৰিব বিচাৰিছে আৰু পুনৰ কথা প্ৰসংগত সেই গালি তেওঁৰ মুখৰ পৰা বাহিৰ হৈছে সেয়া সুন্দৰকৈ প্ৰবন্ধটোত প্ৰকাশ পাইছে। "যা, যা, তইঁতৰ কুকুৰ বুলি বাইজখনে মোৰ কি কান কাটে কাটিব— মকৰা শইকীয়াই তালৈ ভয় নকৰে।"৮

***অসমীয়া ভাষাৰ পৰা বজলুৱা ঠাচ আঁতৰাই গঞা লোকৰ মুখৰ ভাষা প্ৰতিষ্ঠা কৰাত বেণুধৰ শৰ্মাই গুৰুত্ব আৰোপ কৰিছে। 'মকৰা পেস্কাৰ' প্ৰবন্ধত থকা এনে গ্ৰামীণ শব্দবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান শব্দ হ'ল— দোপাক-তে পাক, টুটিয়াৰ, মেম্বৰ, কৰ্ফাল, গালফৰা, ভেকাহি, সকাম, ভুলে-চুকে, লেটপেটি, কুৰুথীয়া, কিটাহি, টকি, চকচোন, সাউংকৰে, লৈ যক, তহিলং কৰা, জকাই চুক, সিকি ইত্যাদি।***

মকৰা পেস্কাৰৰ বাকভংগীয়ে তেওঁৰ চতুৰালিৰ পৰিচয় দিছে। "মেলত থাকি যি নেমাতে উচিত, দোষে পায় তাকো কিঞ্চিৎ কিঞ্চিৎ।"৯ তেওঁ ত্ৰিশ টকাৰ দণ্ডৰ দহ টকা আৰু শেষত দহ টকাটো অভিযোগ অনাসকলৰ পৰাই আদায় কৰিছে। এই কাৰ্যই তেওঁৰ চতুৰ ব্যক্তিত্বৰ পৰিচয় দিয়ে।

**(২) প্ৰাক-স্বাধীনতা কালৰ সামাজিক-অৰ্থনৈতিক চিত্ৰ ঃ** 'মকৰা পেস্কাৰ' প্ৰবন্ধত সেই সময়ৰ অসমীয়া গাঁৱলীয়া কৃষিজীৱী সমাজখনৰ চিত্ৰ ফুটাই তুলিছে। খেতিপথাৰ, শস্যৰ ভঁৰাল, সমাজত প্ৰচলিত দ্বন্দ্ব-খৰিয়াল আৰু সেই দ্বন্দ্ব-খৰিয়াল মষিমুৰ কৰিবলৈ ৰাইজমেলৰ ব্যৱস্থা কৰা, সম্ভ্ৰান্ত অসমীয়া সমাজত প্ৰচলিত সাজ-পাৰৰ উল্লেখ প্ৰবন্ধটোত পোৱা যায়। "মানুহজনৰ কঁকালৰ পৰা তলছোৱাত মুগা চুৰীয়াৰ বৰ যেন আৰু গাত পাতলীয়া চেলেং এখন।"১০ গাঁৱলীয়া সাঁচত কটা প্ৰতিটো চৰিত্ৰত গান্ধীৰ আদৰ্শৰ প্ৰভাৱ আৰু প্ৰজন্মৰ মাজত থকা বিৰোধ আৰু সংঘাতৰ চিত্ৰও স্পষ্টকৈ প্ৰকাশ পাইছে। সামাজিক চিত্ৰৰ লগতে অসমৰ আৰ্থিক জীৱনৰ প্ৰতিচ্ছবিও প্ৰবন্ধটোত সুন্দৰকৈ ফুটি উঠিছে। 'পেস্কাৰ' শব্দটোৰ অৰ্থ হ'ল একধৰণৰ বৃত্তি বা চাকৰি, যিয়ে ন্যায়ালয় বা আদালতত মোকৰ্দমা লিখি বা মোকৰ্দমাৰ বিষয়টো হাকিমক প্ৰস্তুত কৰি দিয়ে। হিন্দী ভাষাত প্ৰচলিত 'পেস্কাৰ' শব্দটোৰ প্ৰচলন পূৰ্বতে অসমীয়া সমাজ জীৱনতো থকা দেখা যায়। তদুপৰি প্ৰবন্ধটোত খেতি-বাতি কৰি আৰ্থিক উপাৰ্জন কৰা গ্ৰামীণ জীৱনৰ চিত্ৰও দেখুওৱা হৈছে। সমাজত প্ৰচলিত ৰীতি-নীতি অনুসৰি কোনো লোকে কোনো কাৰণত দণ্ড বা বোৱত পৰিব লগা হ'লে টকা-পইচা জৰিমনা ভৰি সেই দণ্ডৰ পৰা উদ্ধাৰ হোৱা, ৰাজনীতিৰ সভ্য বা সদস্য হ'বলৈ টকা-পইচা দি প্ৰতিজ্ঞা পত্ৰত চহী কৰা আদিৰো বিষয়ে প্ৰবন্ধটোত উল্লেখ পোৱা যায়। "পূৰ্বৰ অংগীকাৰ মতে তেওঁ ভত্তালিক্ত তিলক উভৈলিলে ১৫ টকা দণ্ড আগবঢ়ালে। আৰু চাৰি আনা দি কাংগ্ৰেছৰ সভ্যভুক্ত হ'ল।"১১

**(৩) প্ৰাক-স্বাধীনতা কালৰ অসমৰ ৰাজনীতিৰ চিত্ৰ ঃ** 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত প্ৰাক-স্বাধীনতা কালৰ অসমৰ ৰাজনীতিৰ চিত্ৰও প্ৰকাশ পাইছে। অসমত ব্ৰিটিছ শাসনৰ কালছোৱাত মহাত্মা গান্ধীৰ নেতৃত্বত সেই সময়ৰ যুৱ প্ৰজন্ম উদ্বুদ্ধ হৈছিল। জাতীয় কংগ্ৰেছত যোগদান নকৰা ব্যক্তিক কূটনীতিৰ অভিসন্ধিৰে ৰাজনীতিৰ জগতখনলৈ আনিবলৈ বিচৰা হৈছিল। 'মকৰা পেস্কাৰ' প্ৰবন্ধটোত মকৰা শইকীয়া নামৰ পেস্কাৰজনে, পেস্কাৰৰ মইমতালিৰে ৰাইজক বিশ্বাসত ল'ব পৰা নাই। সেইবাবে ৰাজনীতিৰ মেৰপাকত সুমুৱাই তেওঁক কাংগ্ৰেছৰ মেম্বাৰ কৰাৰ যথাযথ বিৱৰণ দাঙি ধৰিছে। তদুপৰি এগৰাকী সজ্জন বয়স্কীয়া অভিজ্ঞ ব্যক্তিয়ে ৰাজনীতিত ভৰি দি কংগ্ৰেছ দলটোক মজবুত কৰা বিষয়টোক লেখকে গুৰুত্ব দিছে। মকৰা পেস্কাৰ কংগ্ৰেছ দলত থকাৰ বাবেই সেই অঞ্চলবাসীৰ ভয়-সংশয় নোহোৱা হৈছে। গতিকে ৰাজনীতিয়ে কেনেদৰে এজন ব্যক্তিৰ স্থিতি সবল কৰে তাৰ পৰিচয় প্ৰবন্ধটোত পোৱা গৈছে।

**(৪) চৰিত্ৰৰ প্ৰাধান্য ঃ** 'মকৰা পেস্কাৰ' প্ৰবন্ধটোৰ কাহিনী নাটধৰ্মী। প্ৰবন্ধটোৰ মূল চৰিত্ৰ কাকতি পুলৰ মকৰা পেস্কাৰ বা মকৰা শইকীয়া। পেস্কাৰ এজন সম্ভ্ৰান্ত আৰু বুধিয়ক ব্যক্তি। বয়সৰ অভিজ্ঞতাৰে (সত্তৰ বছৰীয়া) নিজৰ জীৱন সমৃদ্ধ কৰিছে আৰু বুদ্ধিৰ বলত কংগ্ৰেছৰ সভ্য হৈ সমাজত নিজৰ স্থিতি সবল কৰিছে। তদুপৰি পেস্কাৰৰ ধানৰ ভঁৰালত ক্ৰেডিট্ হ'চাইটিৰ ভোলানাথ কাকতীৰ পথাৰত দাই থোৱা পকা ধানৰ মুঠি কংগ্ৰেছৰ ভলণ্টিয়াৰ দুজনে (টেপু আৰু কৃষ্ণয়ে) উৎঘাটন কৰাত পেস্কাৰৰ আত্মসন্মানত আঘাত লাগে। সেইবাবে মেলত ম'হগুৱালৰ পৰা মকৰা পেস্কাৰে তেওঁৰ প্ৰাপ্য টকাকেইটা পালে যদিও টকাকেইটাতকৈ নিজৰ আত্মসন্মান সিদ্ধিতহে বেছি গুৰুত্ব দিছে। মেলখনত জয়ী হোৱাটোহে তেওঁৰ বাবে প্ৰকৃত জয়। "পেস্কাৰক লাগে জিকা হাঁহৰ মুৰটো— টকাটো পাচ কথা"১২। শিক্ষিত পেস্কাৰে ৰাইজখনৰ লগতে টেপু-কৃষ্ণাইক অবাইচ গালি-শপনি পৰাত তেওঁৰ চাৰিত্ৰিক দোষ দেখা গৈছে যদিও সেয়া তেওঁৰ বৃত্তিৰ প্ৰভাৱ বুলি ক'ব পাৰি। পদকীয়া (আচামী)ৰ লগত থাকি সেই স্বভাৱ স্বাভাৱিকতে তেওঁৰ চৰিত্ৰত প্ৰতিফলিত হৈছে।

প্ৰবন্ধটোৰ আন দুটা চৰিত্ৰ হ'ল বাৰুৱতী গাঁৱৰ কংগ্ৰেছ ভলণ্টিয়াৰ টেপুৰাম গগৈ আৰু কৃষ্ণকান্ত গগৈ (টেপু আৰু কৃষ্ণাই)। বয়সত পেস্কাৰতকৈ টেপু-কৃষ্ণ বহুত সৰু। তেওঁলোকৰ মাজত প্ৰজন্মৰ ব্যৱধান থাকিলেও টেপু-কৃষ্ণাই পেস্কাৰক কোনো কাৰণতেই অসন্মান কৰা দেখা নাযায়। এই ক্ষেত্ৰত প্ৰবন্ধকাৰে সামাজিক পৰিস্থিতিত চৰিত্ৰ একোটাৰ চাল-চলন দেখুৱাবলৈ চেষ্টা কৰিছে। লেখক চৰিত্ৰটোৰ দ্বাৰা প্ৰবন্ধকাৰে সমাজৰ দ্বন্দ্ব-খৰিয়াল মষিমুৰ কৰা এজন অভিজ্ঞ, ধৈৰ্যশীল আৰু সন্মানীয় ব্যক্তিৰ চৰিত্ৰ অংকন কৰিছে।

**(৫) ব্যংগধৰ্মী ৰচনা 'মকৰা পেস্কাৰ' ঃ** আমোদজনক

ধৰণাৰে সমাজৰ গুচৰ চপাত লৈছি সহজ। ব্যংগ বা হাস্য-ব্যংগ সাহিত্যতো এটা বিষয়ৰ অসংগতিক সাহিত্যৰ মাজেৰে প্ৰকাশ কৰি সমাজ সংস্কাৰ কৰিবলৈ চেষ্টা কৰা হয়। 'ব্যক্তি আৰু সমাজ তথা সামগ্ৰিকভাৱে উন্নয়নৰ উদ্দেশ্যেৰে সাহিত্যিক পদ্ধতিৰে কৰা সমালোচনামূলক দৃষ্টিভংগী আৰু হাস্যৰসৰ মিশ্ৰণেই হ'ল ব্যংগ ৰচনা।"

আধুনিক অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ব্যংগ ৰচনাক বিকাশমুখী কৰাত প্ৰচেষ্টা চলাইছিল। বেজবৰুৱাৰ পৰৱৰ্তী কালৰ আন এগৰাকী ব্যংগ সাহিত্যিক বেণুধৰ শৰ্মাই সেই দিশত অৰিহণা যোগায়। 'মকৰা পেঞ্চাৰ' প্ৰবন্ধটোত মকৰা শইকীয়া নামৰ এজন অভিজ্ঞ পেঞ্চাৰৰ ব্যক্তিগত জীৱনৰ দ্বন্দ্ব-খৰিয়াল, টকা-পইচাৰ লেনদেন স্বামী আৰু গৃহিণীয়া দুয়োটা ৰূপত কেনেদৰে সিদ্ধি কৰিছে সেয়া প্ৰবন্ধটোত ব্যংগ ৰূপত সুন্দৰকৈ তুলি ধৰিছে।

'মকৰা পেঞ্চাৰ' প্ৰবন্ধটোত ব্যংগৰ উপস্থাপনৰে এটি সামাজিক সমস্যাক নাটধৰ্মী কাহিনীৰ গুণেৰে বসাল কৰি তুলিছে। প্ৰবন্ধটোৰ ভাষা-শৈলীৰ ৰূপো সুকীয়া। দেশপ্ৰেমৰ নামত ভুৱা স্বাৰ্থজড়িত লোকক কঠোৰ সাৱধানবাণী শুনোৱা আৰু নিজৰ দায়বদ্ধতাৰ প্ৰতি সচেতন হ'বলৈ পৰিস্থিতি অনুসৰি ভাষা প্ৰয়োগ কৰা হৈছে। অসমীয়া সমাজৰ আৰ্থিক দিশটোৰ এখনি চিত্ৰ বসাল ৰূপত প্ৰবন্ধটোত দাঙি ধৰিছে। অৰ্থ মানৱ জীৱনৰ অমূল্য সম্পদ। অৰ্থ অবিহনে ব্যক্তি, পৰিয়াল, দেশ জাতি বা ৰাষ্ট্ৰ কেনেৰে আগুৱাই যাব নোৱাৰে। আৰ্থিক দিশত টনকিয়াল হ'বলৈ প্ৰতিগৰাকী ব্যক্তি নিজে সচেতন হোৱাৰ লগতে আনকো সচেতন কৰিবলৈ বিবেক বা চিন্তা-চেতনা সক্ৰিয় হ'ব লাগে। বেণুধৰ শৰ্মাই সমসাময়িক সমাজখনৰ আৰ্থিক দুৰৱস্থাৰ চিত্ৰ ব্যংগ ৰূপত তুলি ধৰিবলৈ প্ৰবন্ধটোত চেষ্টা কৰিছে। অসমীয়া কৃষক সমাজৰ দুৰৱস্থা, অপৰিশ্ৰমী, এলেহুৱা, সমাজৰ নিয়ম শৃংখলা মানিব নোখোজা একশ্ৰেণী মানুহক তিৰস্কাৰ কৰিবলৈ ব্যংগৰ আশ্ৰয় লৈছে। দেশৰ অৰ্থনীতি সবল আৰু টনকিয়াল কৰিবলৈ সৎ, পৰিশ্ৰমী আৰু স্বাৱলম্বী হোৱা নিতান্ত প্ৰয়োজন, এয়াই প্ৰবন্ধটোৰ মূল উদ্দেশ্য।

*বেণুধৰ শৰ্মাই অসমীয়া সমাজৰ ব্যংগ চিত্ৰ এখনি মকৰা ভাষাত মনোমোহাকৈ 'মকৰা পেঞ্চাৰ' প্ৰবন্ধটোত দাঙি ধৰিছে। সমকালীন সমাজৰ বিসংগতিৰ প্ৰতি সচেতন বেণুধৰ শৰ্মাই সমাজৰ ৰাজনৈতিক-আৰ্থিক-সামাজিক আৰু সাংস্কৃতিক আসোঁৱাহসমূহ দূৰ কৰিবলৈ সাহিত্যৰ যোগেদি চেষ্টা কৰিছে।*

'মকৰা পেঞ্চাৰ' প্ৰবন্ধটোৰ শিৰোনামটোৱে পেঞ্চাৰগৰাকীৰ চতুৰ মনৰ পৰিচয় দিছে। মকৰাই যিদৰে নিজৰ মুখৰ পৰা এঠা জাতীয় এবিধ বস্তু প্ৰস্তুত কৰি নিজৰ জাল নিজে তৈয়াৰ কৰে, ঠিক তেনেদৰে এজন চতুৰ ব্যক্তিয়েও সমাজত চলিবলৈ নিজৰ প্ৰয়োজনীয় সুবিধা নিজৰ চিন্তা শক্তিৰে প্ৰস্তুত কৰি লয়।

প্ৰবন্ধটোৰ মূল চৰিত্ৰ মকৰা পেঞ্চাৰ বা মকৰা শইকীয়াৰ ব্যক্তিত্ব যথাযথ ৰূপত প্ৰকাশ পাইছে। পৰিস্থিতি বৰ্ণনাৰ ক্ষেত্ৰত বেণুধৰ শৰ্মাই ব্যংগাত্মক সাহিত্যৰ প্ৰতি দৃষ্টি ৰাখি খুটি-নাটি মাৰি বৰ্ণনা কৰিছে। সেইবাবেই প্ৰতিটো বাক্যই বসাল আৰু হাস্যমধুৰ হৈ পৰিছে। পৰিস্থিতি বৰ্ণনাৰ সময়ত একোটা বিষয় এনেদৰে সূক্ষ্ম আৰু নিখুঁতভাৱে অংকন কৰিছে যে লেখকৰ প্ৰতিটো বৰ্ণনা চিত্ৰকল্পৰ দৰে প্ৰকাশ পাইছে।

সমসাময়িক সমাজ জীৱনৰ বিসংগতিৰ চিত্ৰখনো শৰ্মাদেৱে প্ৰবন্ধটোত তুলি ধৰিছে। অসমীয়া সমাজত আনৰ দোষ খুঁচৰি ফুৰা ব্যক্তিৰ লগতে আনৰ দোষ দেখি সহ্য কৰিব নোৱাৰি সহায়ৰ হাত আগ বঢ়োৱা ব্যক্তিৰ প্ৰকাশো প্ৰবন্ধটোত পোৱা যায়। পৰিশ্ৰমহীন, এলেহুৱা, অৰ্থৰ প্ৰতি অসচেতন, সমাজৰ দাৰিদ্ৰ্য পালনত অপকাৰতা— আদি অসমীয়া সমাজৰ বিভিন্ন দিশ প্ৰবন্ধটোত প্ৰকাশ পাইছে।

**'মকৰা পেঞ্চাৰ' প্ৰবন্ধত প্ৰতিফলিত বেণুধৰ শৰ্মাৰ ভাষাৰীতি বা গদ্যৰীতিঃ**

প্ৰতিগৰাকী সাহিত্যিকে তেওঁলোকৰ প্ৰাঞ্জল ভাষা বৈশিষ্ট্যৰে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। ৰচনাৰীতিয়ে এগৰাকী সাহিত্যিকৰ সৃষ্টিশীল লেখনিৰ ভাব আৰু ভাষাক প্ৰভাৱশালী ৰূপত তুলি ধৰিবলৈ যত্ন কৰে। অসমীয়া সাহিত্যৰ বিকাশত অৰিহণা যোগোৱা এগৰাকী বিশিষ্ট সাহিত্যিক বেণুধৰ শৰ্মাৰ সাহিত্যৰাজিও এক সুকীয়া বৈশিষ্ট্য তেওঁৰ গদ্যৰীতিত প্ৰকাশ পাইছে।

ধ্বনিৰ ক্ষেত্ৰত স্বৰ সংযুক্তি, বিশেষকৈ দ্বিস্বৰ আৰু ত্ৰিস্বৰ ধ্বনিৰ ব্যৱহাৰ বেণুধৰ শৰ্মাৰ গদ্যৰীতিৰ বৈশিষ্ট্য। উদাহৰণ স্বৰূপে— মইও, গইনাই, খাই ইত্যাদি। গ্ৰামীণ সমাজৰ বহু বহু শব্দৰাজি, খণ্ডবাক্য, জতুৱা ঠাচৰ ব্যৱহাৰে তেওঁৰ গদ্যত স্পষ্টকৈ লক্ষ্য কৰিব পাৰি। জতুৱা ঠাচ বা খণ্ড বাক্যৰ ভিতৰত— সাত খাতৰ সৈয়াগুণী, ফোৰোহানি মাৰি, সজা-সৰকা, শুং সুৱা, পুং খেদি, ভেৰাকুটীয়া ভাও, খুঁকুৰি মাৰিবলৈ, বেহুই গৈছে, খেচ খেচ কৰা, কাণ কটা, পেটি খুলি, কাণ পাতি, ঠেঁকাই টিলিকি মাৰি ইত্যাদিবোৰ 'মকৰা পেঞ্চাৰ' প্ৰবন্ধটোত পোৱা যায়। বাক্যৰ যথাস্থানত ব্যৱহৃত প্ৰবাদ বাক্যই তেওঁৰ বাক্যৰীতিক শুৱলা আৰু মাধুৰ্য দান কৰিছে। উদাহৰণ স্বৰূপে— শিয়ালে শুৱালে সমান, ৰাইজৰ খাওত গৰুগুৰো পখা ছিগে, ভুমি-ভুই কৰ্ণত হাত দিয়া ইত্যাদি। এনেবোৰ প্ৰবাদ বাক্যই একোটা গুৰুত্বপূৰ্ণ দিশ কম কথাতে তুলি ধৰে। প্ৰবাদ বাক্যসমূহৰ পৰা তেওঁৰ পাণ্ডিত্যৰো পৰিচয় পোৱা যায়।

অসমীয়া ভাষাৰ পৰা বহুলুৱা ঠাচ আঁতৰাই গঞ্জা লোকৰ মুখৰ ভাষা প্ৰতিষ্ঠা কৰাত বেণুধৰ শৰ্মাই গুৰুত্ব আৰোপ কৰিছে। 'মকৰা পেঞ্চাৰ' প্ৰবন্ধত থকা এনে গ্ৰামীণ শব্দবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান শব্দ হ'ল— লোপাক-তেপাক, টুটিয়াব, মেম্বৰ, কৰ্কাল, গালফৰা, ভেকাহি, সলাম, ভুলে-চুকে, লোটপেটি, কুৰুৰীয়া, কিটাহি, টকি, চকচোন, সাউংকৰে, লৈ যক, ডহিলং কৰা, জকাই চুক, সিকি ইত্যাদি। বাক্যত ব্যৱহৃত অনুকাৰ আৰু অনুৰূপ শব্দসমূহৰ ভিতৰত— জলপান-পাতি, খৰক-বৰক (অনুকাৰ শব্দ), দণ্ড-ফণ্ড, মোহাৰি মোহাৰি (অনুৰূপ শব্দ) ইত্যাদিও প্ৰবন্ধটোত ব্যৱহাৰ হৈছে।

সংস্কৃত, দেশী-বিদেশী শব্দৰ প্ৰয়োগ বেণুধৰ শৰ্মাৰ ৰচনাৱলীত এনেদৰে পোৱা যায়— দণ্ড, তৎ, অহৰ্নিশে, মহৎ, উৎপত্তীয়া (সংস্কৃত); বিপৰ্ট, ভলণ্টিয়াৰ, ক্ৰেডিট্চছাইটি, সেক্ৰেটৰী, কাবচাজি(বিদেশী) ইত্যাদি শব্দৰ প্ৰয়োগ দেখা যায় ।

সৃষ্টিশীল ৰচনা উপস্থাপনৰ বাবে সুন্দৰ ভাব প্ৰকাশিত বাক্য বেণুধৰ শৰ্মাই তেওঁৰ গদ্য-শৈলীত ব্যৱহাৰ কৰিছে। শৰ্মাৰ বাক্য গাঁথনি সহজ-সৰল, উপস্থাপন ৰীতি দক্ষতা আৰু বাক্য ৰচনাত দক্ষতা অপৰিসীম। পাঠকক আকৰ্ষণ কৰিবলৈ কথন আৰু বিবিধ বাক্যৰ ব্যৱহাৰ তেওঁৰ ৰচনা ৰীতিত দেখা যায়। বিশেষকৈ বৰ্ণনামূলক বাক্যৰীতিয়ে তেওঁৰ লেখনি অধিক মনোগ্ৰাহী কৰিছে।

> "তাৰ পিছত, ভকতীয়া ভাও ধৰি, মোৰ মুখে মুখে চাই আচল কথাটো ব্যক্ত কৰিলে, "ডকটোৰ বাৰু গুৰুজন, বন্দীৰ লোক দণ্ড কৰা যেই, বন্দীক দণ্ড কৰাও সেই নহ'ল জানো? সো যেতিয়া আচামী, বাপেকীও জানো আচামীৰ লগৰে নহ'ল?... তাতে আকৌ বাইজখনো তাহাঁতৰে।"[৯]

ভকতীয়া গদ্যৰ ব্যৱহাৰ প্ৰবন্ধটোত এনেদৰে পোৱা যায়। "স্ব' গুৰুজন দেখোন। দুৰ্দশীয়াখন বন্দীৰ ভগা বঠাত কিয় বা থিত দিলেহি?"[১০] প্ৰশ্নবোধক বাক্যৰ ব্যৱহাৰ শৰ্মাৰ বাক্যৰীতিত প্ৰচুৰ পৰিমাণে দেখা যায়। "হেৰ কটাইত, কাণ শ শুনিলেই কাণ শ পায়নে? এশহে নালাগে, দহ টকাকে পাৱনে নেপাৱ?"[১১] মধ্যস্থানত ক্ৰিয়া পদৰ ব্যৱহাৰ শৰ্মাৰ গদ্যশৈলীৰ আন এটা বৈশিষ্ট্য। "থক, থক, নেলাগে বাৰু জলপান-পাতি দিহা কৰিব। এতিয়া ভাততেই থামোঁগে আৰু।"[১২] ধ্বন্যা বাক্যৰ বহুল ব্যৱহাৰ প্ৰবন্ধটোত দৃষ্টিগোচৰ হৈছে। "হৰি। হৰি। তুমি-চুই কৰ্ণত হাত দিয়া কথা। কোন খতাই নাককীয়ে ক'লে এনে কথা? বাইজক কুকুৰ বুলিবৰ বন্দীৰ কি শকতি আছে?"[১৩] আকৰ্ষণীয় বাক্যৰ ব্যৱহাৰ শৰ্মাৰ গদ্যৰীতিত দেখা যায়। "আচামীয়ে জানো আচামীক দণ্ড কৰিব পাৰে? যি বাইজে আচামীৰ কথাতে হৰিতৰ দিয়ে সেই বাইজ কুকুৰধুলি নহয় কি?"[১৪] নঞৰ্থক বাক্যৰ ব্যৱহাৰ শৰ্মাৰ গদ্যৰীতিৰ আন এটি বৈশিষ্ট্য। "বোলে পেন্ধাৰ, কংগ্ৰেছৰ প্ৰতিজ্ঞা পত্ৰত চহী নকৰিলে, আপোনাৰ টকা দ'ব নোৱাৰেঁ।"[১৫]

ভাষাৰ ওজস্বিতা বেণুধৰ শৰ্মাৰ গদ্যৰীতিৰ অন্যতম বৈশিষ্ট্য। বিষয়বস্তুৰ নিৰ্বাচন, জতুৱা ঠাচ আৰু প্ৰবাদ বাক্যৰ ব্যৱহাৰ, সংস্কৃত-দেশী-বিদেশী-কথিত শব্দই তেওঁৰ গদ্যৰীতিক সমৃদ্ধ কৰিছে। পুৰণি অসমীয়া গ্ৰামীণ সমাজৰ বা গঞা লোকৰ মুখৰ ভাষা তুলি আনি অসমীয়া ভাষাক শৰ্মাই এক সজীৱ ৰূপ দিছে। সহজ-সৰল বাক্যৰীতিৰ লগতে বৰ্ণনাত্মক আৰু কাব্যসুলভ নাটকীয় বাক্যৰ প্ৰয়োগ, অলংকাৰযুক্ত বাক্যই তেওঁৰ গদ্যক এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে। কাহিনী উপস্থাপনৰ সুকীয়া ৰীতি তেওঁৰ গদ্যশৈলীৰ আন এক আকৰ্ষণীয় দিশ।

**সামৰণি ঃ**

অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট লেখক বেণুধৰ শৰ্মাই অসমীয়া সমাজৰ ব্যংগ চিত্ৰ এখনি ধ্বন্যা ভাষাত মনোমোহাকৈ 'মকৰা পেন্ধাৰ' প্ৰবন্ধটোত দাঙি ধৰিছে। সমকালীন সমাজৰ বিসংগতিৰ প্ৰতি সচেতন বেণুধৰ শৰ্মাই সমাজৰ ৰাজনৈতিক-আৰ্থিক-সামাজিক আৰু সাংস্কৃতিক অসোঁৱাহসমূহ দূৰ কৰিবলৈ সাহিত্যৰ যোগেদি চেষ্টা কৰিছে। হাস্য-ব্যংগ সাহিত্যৰে সমাজ পৰিশোধন কৰা আৰু ভবিষ্যতৰ এখন সুস্থ প্ৰগতিশীল সমাজ গঢ়ি তোলাটোৱেই শৰ্মাৰ ব্যংগ সাহিত্যৰ অন্যতম লক্ষ্য। তাৰ বাবে অসমীয়া ভাষাৰ বিকাশ সাধিবলৈ হাস্য-ব্যংগ সাহিত্যত ভাষাৰ সুস্থ আৰু বলিষ্ঠ ৰূপ এটা দিবলৈ তেওঁ চেষ্টা কৰিছে। শৰ্মাৰ ৰচনাৰাজিত অসমীয়া সমাজৰ এখনি নিখুঁত চিত্ৰ প্ৰকাশ পোৱাৰ লগতে গদ্যৰীতিয়ে এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ■

**টোকা ঃ** বেণুধৰ শৰ্মাই লেখা ধৰণে পেন্ছনাৰ বা পেন্সনাৰ শব্দটো 'পেন্ধাৰ' কৰা হৈছে।

**প্ৰসংগ টীকা ঃ**

১। উপেন্দ্ৰ বৰকটকী, 'বেণুধৰ শৰ্মা', *গৰীয়সী*, লক্ষ্মীনন্দন বৰা (সম্পা.), ঊনবিংশ বছৰ, অষ্টম সংখ্যা, মে' ২০১২, পৃ. ৭৯

২। ত্ৰৈলোক্যনাথ গোস্বামী, *আধুনিক অসমীয়া গল্প সাহিত্য*, পৃ. ২৮

৩। নগেন শইকীয়া (সম্পা.), *বেণুধৰ শৰ্মা ৰচনাৱলী*, পৃ. ২৫৭

৪। *উল্লিখিত গ্ৰন্থ*

৫। *উল্লিখিত গ্ৰন্থ*, ২৫৯

৬। *উল্লিখিত গ্ৰন্থ*, ২৫৮-২৫৯

৭। *উল্লিখিত গ্ৰন্থ*, ২৫৮

৮। নীৰাজনা মহন্ত বেজবৰা, 'বেজবৰুৱাৰ ব্যংগ ৰচনা', লক্ষ্মীনন্দন বৰা (সম্পা.), *গৰীয়সী*, একবিংশ বছৰ, পঞ্চম সংখ্যা, ফেব্ৰুৱাৰী, ২০১৪,পৃ. ৩২

৯। নগেন শইকীয়া, *উল্লিখিত গ্ৰন্থ*, পৃ.২৫৮

১০। *উল্লিখিত গ্ৰন্থ*, পৃ.২৫৬

১১। *উল্লিখিত গ্ৰন্থ*

১২। *উল্লিখিত গ্ৰন্থ* , পৃ.২৫৭

১৩। *উল্লিখিত গ্ৰন্থ*

১৪। *উল্লিখিত গ্ৰন্থ*

১৫। *উল্লিখিত গ্ৰন্থ* , পৃ.২৫৮

**গ্ৰন্থপঞ্জী ঃ**

১। কৌৰৱ, অৰ্পণা ঃ *আধুনিক অসমীয়া গদ্যশৈলী*, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১৬

২। কৌৰৱ, অৰ্পণা ঃ *ভাষা সাহিত্য অধ্যয়ন*, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, মাৰ্চ, ১৯৯৫

৩। চেতিয়া, জলীন প্ৰকাশ আৰু খনিকৰ, পৰেশ (সম্পা.) ঃ *অসমীয়া সাহিত্য-প্ৰবেশ*, অসম বুক ট্ৰাষ্ট, গুৱাহাটী, প্ৰথম প্ৰকাশ, আগষ্ট, ২০২০

৪। পূজাৰী, অৰ্চনা ঃ বেণুধৰ শৰ্মাৰ জীৱন আৰু সাহিত্যকৃতি ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (গৱেষণা গ্ৰন্থ), গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৯৬

৫। বৰা, লক্ষ্মীনন্দন (সম্পা.) ঃ গৰীয়সী, ঊনবিংশ বছৰ, অষ্টম সংখ্যা, মে', ২০১২

৬। শইকীয়া, নগেন ঃ *বেণুধৰ শৰ্মা ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম সং ২০১৪

৭। দাস, দেৱেন চন্দ্ৰ ঃ ভাৰতেন্দু হৰিশ্চন্দ্ৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীত হাস্য-ব্যংগৰ তুলনাত্মক অধ্যয়ন (গৱেষণা গ্ৰন্থ), গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৯৪